# **গুৱাহাটী উচ্চ ন্যায়ালয়**

**(অসম, নাগালেণ্ড মিজোৰাম আৰু অৰুণাচল প্ৰদেশৰ উচ্চ ন্যায়ালয়)**

গোচৰ নম্বৰ- চি আৰ এল.এ(জে)/৫৪/২০১৭

শ্ৰীমতী বিজুলী বালা ৰাভা

............ আপীলকাৰী

**-বনাম-**

১) অসম চৰকাৰ

২) শ্ৰী চন্দন ৰাভা

..................... প্ৰতিপক্

আপীলকাৰীৰ অধিবক্তা: শ্ৰী কে. গোস্বামী, জ্যেষ্ঠ অধিবক্তা/ ন্যায়মিত্ৰ

প্ৰতিবাদীৰ অধিবক্তা: শ্ৰীমতী বি. ভূঞা, অতিৰিক্ত চৰকাৰী অধিবক্তা, অসম।

**মহামান্য ন্যায়াধীশ শ্ৰীযুত মাইকেল জোথানখুমা**

**মহামান্য ন্যায়াধীশ শ্ৰীমতী মালাশ্ৰী নন্দিৰ খণ্ড বিচাৰপীঠ**

শুনানিৰ তাৰিখ: ১৪-০৭-২০২৩

ৰায়দানৰ তাৰিখ: ২৭-০৭-২০২৩

# ৰায়দান আৰু আদেশ (CAV)

## ন্যায়াধীশ মাইকেল জোথানখুমা

আপীলকাৰীৰ হৈ বিজ্ঞ জ্যেষ্ঠ অধিবক্তা আৰু ন্যায়মিত্ৰ শ্ৰী কে. গোস্বামী লগতে ৰাজ্যৰ হৈ হাজিৰ হোৱা বিজ্ঞ অতিৰিক্ত চৰকাৰী অধিবক্তা, শ্ৰীমতী বি. ভূঞাৰ যুক্তি সমূহ শুনা হ'ল।

২) এই আপীল গোৱালপাৰাৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ আদালতে সত্ৰ গোচৰ নম্বৰ ২৭/২০১৬, ত ২৮.০৪.২০১৭ তাৰিখে প্ৰদান কৰা ৰায় আৰু আদেশৰ বিৰুদ্ধে দাখিল কৰা হৈছে। যাৰ দ্বাৰা আপীলকাৰীক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ৰ অধীনত দোষী সাব্যস্ত কৰা হৈছে আৰু আজীৱন সশ্ৰম কাৰাদণ্ড আৰু ১,০০০/- টকাৰ জৰিমনা বিহা হৈছে আৰু জৰিমনাৰ অনাদায়ে ৩ (তিনি) মাহৰ অতিৰিক্ত সশ্ৰম কাৰাদণ্ডৰ শাস্তি প্ৰদান কৰা হব বুলি কোৱা হৈছে।

৩/ গোচৰৰ চমু বিবৰণী হৈছে যে গোচৰীয়াৰ ভাতৃ ৰন্ধন ৰাভাক তেওঁৰ পত্নী (আপীলকাৰী)য়ে দাৰে ঘপিয়াই হত্যা কৰিছিল। এই সন্দৰ্ভত গোচৰীয়াই (সাক্ষী নং-১) ২২.১২.২০১৫ তাৰিখে বাগনান থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ সন্মুখত এখন এজাহাৰ দাখিল কৰে আৰু বাগনান থানাত ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ ৰ অধীনত ১৯০/২০১৫ নং গোচৰ পঞ্জীয়ন কৰা হয়। ইয়াৰ পিছত তদন্তকাৰী বিষয়াই আপীলকাৰীৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ ৰ অধীনত প্ৰথম দৰ্শনতে গোচৰটো প্ৰতিষ্ঠিত হোৱাত অভিযোগনামা দাখিল কৰে, কিয়নো আপীলকাৰীয়ে আৰক্ষীক প্ৰকাশ কৰিছিল যে তেওঁ নিজৰ স্বামীক হত্যা কৰিছিল। ২১.১২.২০১৫ তাৰিখে নিশা স্বামীক হত্যা কৰাৰ ভিত্তিত ১৮.০৪.২০১৫ তাৰিখে আপীলকাৰীৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ ৰ অধীনত অভিযোগ উত্থাপন কৰা হৈছিল। আপীলকাৰীয়ে দোষ কৰা নাই বুলি প্ৰাৰ্থনা কৰি বিচাৰৰ সন্মুখীন হয়।

৪) নিম্ন আদালতৰ সন্মুখত বিচাৰ প্ৰক্ৰিয়া চলি থকা সময়ত ১৩ জন (তেৰজন) অভিযোজন সাক্ষী (Prosecution Witness) আৰু ১ (এজন) শিশু সাক্ষীক সোধপোছ কৰা হৈছিল। ফৌজদাৰী দণ্ডবিধি আইনৰ ধাৰা ৩১৩ ৰ অধীনত আপীলকাৰীক সোধপোছ কৰাৰ পিছত নিম্ন আদালতে এই তথ্য লাভ কৰে যে

আপীলকাৰীৰ বিৰুদ্ধে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ ৰ অধীনত অপৰাধ প্ৰমাণিত হৈছে। সেই অনুসৰি ২৭/২০১৬ নং সত্ৰ গোচৰৰ ২৮.০৪.২০১৭ তাৰিখৰ বিবাদিত ৰায় আৰু আদেশৰ ভিত্তিত আপীলকাৰীক দোষী সাব্যস্ত কৰি শাস্তি প্ৰদান কৰা হয়।

৫) বিজ্ঞ ন্যায়মিত্ৰ গৰাকীয়ে যুক্তি প্ৰদৰ্শন কৰে যে আপীলকাৰীয়ে তেওঁৰ স্বামীক দাৰে কাটি হত্যা কৰা বুলি আৰক্ষীক দিয়া তথাকথিত জবানবন্দী/স্বীকাৰোক্তিটোৱেই হৈছে সমগ্ৰ  গোচৰটোৰ ভিত্তি। তেওঁ লগতে যুক্তি প্ৰদৰ্শন কৰে যে কোনো সাক্ষীয়ে তেওঁলোকৰ সাক্ষ্যত  কোৱা নাই যে আপীলকাৰীয়ে কৈছিল যে তেওঁ নিজৰ স্বামীক হত্যা কৰিছে, কেৱল সাক্ষী নং –১২ৰ বাহিৰে, যিয়ে তেওঁৰ সাক্ষ্য প্ৰদান কৰোতে উল্লেখ কৰিছিল যে তেওঁ আপীলকাৰীক বাগনান থানাত লগ পাইছিল, য'ত তেওঁ তেওঁক কৈছিল যে তেওঁ নিজৰ স্বামীক হত্যা কৰিছিল। তেওঁ দাবী কৰে যে ভাৰতীয় সাক্ষ্য আইন, ১৮৭২ৰ ২৫ আৰু ২৬ নং ধাৰা অনুসৰি কোনো ব্যক্তিয়ে আৰক্ষীক দিয়া যিকোনো  জবানবন্দী, প্ৰকাশ বা স্বীকাৰোক্তি প্ৰমাণ হিচাপে গ্ৰহণযোগ্য নহয় ।

৬) বিজ্ঞ ন্যায়মিত্ৰ গৰাকীয়ে এইবুলিও যুক্তি প্ৰদৰ্শন কৰে যে যদিও মৃতকক হত্যা কৰোতে ব্যৱহাৰ কৰা বুলি অভিযোগ কৰা অস্ত্ৰ অৰ্থাৎ "দা" আৰক্ষীয়ে জব্দ কৰি পৰীক্ষাৰ বাবে ফৰেনছিক বিজ্ঞান পৰীক্ষাগাৰ (এফ. এছ. এল.)লৈ প্ৰেৰণ কৰিছিল, এফ এছ এলৰ প্ৰতিবেদনক কেতিয়াও চাৰ্জ–শ্বীটৰ অংশ কৰা হোৱা নাছিল। সেয়েহে আৰক্ষীয়ে জব্দ কৰা দা খন মৃতকক হত্যাৰ বাবে ব্যৱহাৰ কৰা অস্ত্ৰ বুলি কোনো প্ৰমাণ পোৱা নগ'ল। লগতে, আপীলকাৰীয়ে উক্ত দাখন ব্যৱহাৰ কৰা বুলি প্ৰমাণ কৰিব পৰা একো নাছিল।

৭) বিজ্ঞ ন্যায়মিত্ৰ গৰাকীয়ে যুক্তি প্ৰদৰ্শন কৰে যে আপীলকাৰীক ফৌজদাৰী দণ্ডবিধি আইনৰ ধাৰা ৩১৩ ৰ অধীনত কৰা সোধপোছৰ পৰা দেখা যায় যে ঘটনাৰ নিশা, অৰ্থাৎ ২১.১২.২০১৫ তাৰিখে তেওঁ মৃতকৰ সৈতে ঘৰত নাছিল আৰু মাকৰ ঘৰত ৰাতিটো কটাই ৰাতিপুৱা প্ৰায় ৮:০০ বজাত ঘৰলৈ উভতি যোৱাৰ পিছতহে স্বামীৰ মৃত্যুৰ সত্যটো জানিব পাৰিছিল।

৮) বিজ্ঞ ন্যায়মিত্ৰ গৰাকীয়ে সেই অনুসৰি দাবী কৰে যে যিহেতু অপৰাধৰ কোনো চাক্ষুষ সাক্ষী নাই আৰু যিহেতু আপীলকাৰীয়ে আৰক্ষীক দিয়া তথাকথিত জবানবন্দী/স্বীকাৰোক্তি প্ৰমাণ হিচাপে গ্ৰহণযোগ্য নহয়, সেয়েহে বিচাৰ আদালতে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ ৰ অধীনত আপীলকাৰীক দোষী সাব্যস্ত কৰাত ভুল কৰিছিল।

৯) বিজ্ঞ ন্যায়মিত্ৰ গৰাকীয়ে এইবুলিও যুক্তি প্ৰদৰ্শন কৰে যে মহামান্য বিচাৰ আদালতে আপীলকাৰীক দোষী সাব্যস্ত কৰাৰ বাবে আৰক্ষীয়ে প্ৰস্তুত কৰা দৈনিক পঞ্জীৰ ওপৰত নিৰ্ভৰ কৰি ভুল কৰিছিল, কিয়নো আৰক্ষীৰ ডায়েৰীক তদন্ত বা বিচাৰত সহায়ক হিচাপে ব্যৱহাৰ কৰিব পাৰি। কিন্তু, আৰক্ষীৰ ডায়েৰীক প্ৰমাণ হিচাপে ব্যৱহাৰ কৰিব পৰা নোৱাৰি। এই সন্দৰ্ভত তেওঁ ছেকণ্ডেৰাবাদ জিলা কাৰাগাৰৰ কয়দী **হাবীব মহম্মদ বনাম হায়দৰাবাদ চৰকাৰ গোচৰত** (Habeeb Mohammad, Condemned Prisoner, confined in District Jail, Secunderabad-Vs-State of Hyderabad, reported in AIR 1954 SC 51)) উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ ওপৰত নিৰ্ভৰ কৰিছে সেই অনুসৰি তেওঁ প্ৰাৰ্থনা কৰে যে বিবাদিত ৰায় আৰু আদেশ খাৰিজ কৰি আপীলকাৰীক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ ৰ অধীনৰ অভিযোগৰ পৰা মুক্ত কৰা হওক।

১০) শ্ৰীমতী বি. ভূঞা, বিজ্ঞ অতিৰিক্ত চৰকাৰী অধিবক্তাই যুক্তি প্ৰদৰ্শন কৰে যে অভিযোজন পক্ষই মহামান্য নিম্ন আদালতৰ সন্মুখত আচামীক দোষী সাব্যস্ত কৰা নাছিল কাৰণ আপীলকাৰীয়ে আৰক্ষীক দিয়া তথাকথিত স্বীকাৰ/স্বীকাৰোক্তিয়ে ভাৰতীয় প্ৰমাণ আইন, ১৮৭২ৰ ২৫ আৰু ২৬ নং ধাৰাক চুই যায়। তেওঁ লগতে যুক্তি প্ৰদৰ্শন কৰে যে আপীলকাৰীয়ে আৰক্ষীক দিয়া তথাকথিত জবানবন্দীৰ বাহিৰে আপীলকাৰীক অপৰাধৰ সৈতে সংযোগ কৰিব পৰা একো নাই।

১১) আমি পক্ষসমূহৰ হৈ বিক্ষ অধিবক্তাসকলৰ কথা শুনিলো।

১২) অভিযোজন সাক্ষীসকলৰ প্ৰমাণ সমূহ পৰীক্ষা কৰিলে দেখা যায় যে আপীলকাৰীক অপৰাধৰ অপৰাধী হিচাপে জড়িত কৰি অভিযোজন পক্ষৰ সমগ্ৰ গোচৰটো অভিযোজন সাক্ষী নং-১০ আৰু অভিযোজন সাক্ষী নং-১১ৰ প্ৰমাণৰ ওপৰত ভিত্তি কৰি কৰা হৈছে। অসম আৰক্ষীৰ উপ-পৰিদৰ্শক অভিযোজন সাক্ষী নং-১০ য়ে দিয়া সাক্ষ্য অনুসৰি, ২২.১২.২০১৫ তাৰিখে পুৱা প্ৰায় ৮ বজাত আপীলকাৰীয়ে থানাত

আত্মসমৰ্পণ কৰি কয় যে আগদিনা মাজনিশা প্ৰায় ১২ বজাত তেওঁ তেওঁৰ স্বামীক তেওঁলোকৰ ঘৰৰ ভিতৰতে দাৰে কাটি হত্যা কৰিলে। সেই অনুসৰি ২২.১২.২০১৫ তাৰিখৰ দৈনিক পঞ্জী নং ৩৮১ পঞ্জীয়ন কৰি তেওঁৰ নেতৃত্বত এটা আৰক্ষী দল ততাতৈয়াকৈ ঘটনা সংঘটিত হোৱা স্থানলৈ যায়। আপীলকাৰীক থানাৰ জিম্মাত ৰখা হৈছিল। অভিযোজন সাক্ষী নং-১০ এ এইবুলিও উল্লেখ কৰে যে ঘটনা সংঘটিত হোৱা স্থানত উপস্থিত হৈ তেওঁ গাৰো সম্প্ৰদায়ে ব্যৱহাৰ কৰা এখন দা লগতে এটা half vest (গেঞ্জী) পাইছিল যিটো তেওঁ জব্দ কৰিছিল। অভিযোজন সাক্ষী নং-১০ এ আৰু কয় যে আপীলকাৰীক ২২.১২.২০১৫ তাৰিখে আবেলি ৩ বজাত গ্ৰেপ্তাৰ কৰা হয় আৰু ২৩.১২.২০১৫ তাৰিখে ফৌজদাৰী দণ্ডবিধি আইনৰ ধাৰা ১৬৪ ৰ অধীনত তেওঁৰ স্বীকাৰোক্তিমূলক বক্তব্য লিপিবদ্ধ কৰাৰ বাবে আদালতলৈ প্ৰেৰণ কৰা হয়। তেওঁৰ জেৰাত অভিযোজন সাক্ষী নং-১০ এ উল্লেখ কৰিছে যে তেওঁ জব্দ কৰা দা খন পৰীক্ষাৰ বাবে ফৰেনছিক বিজ্ঞান পৰীক্ষাগাৰ (এফ এছ এল)লৈ প্ৰেৰণ কৰিছিল। তেওঁ আৰু কয় যে থানাত আপীলকাৰীক জেৰাৰ সময়ত অভিযোজন সাক্ষী নং-১২ আৰু অভিযোজন সাক্ষী নং-১৩ ও উপস্থিত আছিল।

১৩) অভিযোজন সাক্ষী নং-১২ এ সাক্ষ্য দিয়ে যে তেওঁ বাগুয়ান থানাত আপীলকাৰীক লগ পাইছিল য'ত তেওঁ তেওঁক কৈছিল যে তেওঁ নিজৰ স্বামীক হত্যা কৰিছে। অভিযোজন সাক্ষী নং-১২ এ জেৰাত উল্লেখ কৰিছে যে কাৰাগাৰত ৰখা আপীলকাৰীৰ ওচৰলৈ যোৱাৰ সময়ত আপীলকাৰীয়ে তেওঁক আৰক্ষীৰ সন্মুখত জনাইছিল যে তেওঁ নিজৰ স্বামীক হত্যা কৰিছে।

১৪) অভিযোজন সাক্ষী নং-১৩ এ সাক্ষ্য দিয়ে যে তেওঁ গম পাইছিল যে তেওঁৰ ভনীয়েকে (আপীলকাৰীয়ে) নিজৰ স্বামীক দাৰে হত্যা কৰিছিল, কিন্তু, ঘটনাটোৰ বিষয়ে তেওঁ কেনেকৈ জানিব পাৰিলে সেই কথা উল্লেখ নকৰিলে।

১৫) আপীলকাৰী আৰু মৃতকৰ পুত্ৰ আদালতে মাতা সাক্ষী নং -১ এ সাক্ষ্য প্ৰদান কৰে যে তেওঁৰ ঘটনাৰ বিষয়ে একো মনত নাই, কিয়নো তেওঁ সেই সময়ত একেবাৰে সৰু লৰা আছিল। অৱশ্যে আত্মীয়ৰ পৰা শুনিছিল যে মাকেহে দেউতাকক হত্যা কৰিছিল। তেওঁ আৰু কয় যে ঘটনাৰ নিশা তেওঁ নিজৰ ঘৰত উপস্থিত নাছিল। সেয়েহে তেওঁ মাক-দেউতাকৰ মাজত কি হৈছিল জনা নাছিল।

১৬) অভিযোজন সাক্ষী নং-১ এ সাক্ষ্য প্ৰদান কৰে যে তেওঁক থানাৰ পৰা টেলিফোনযোগে জনোৱা হৈছিল যে আপীলকাৰীয়ে ২১.১২.২০১৫ তাৰিখে নিশা তেওঁৰ ককায়েক অৰ্থাৎ মৃতকক হত্যা কৰিছিল। তেওঁ লগতে উল্লেখ কৰিছে যে তেওঁৰ ককায়েকক কোনে হত্যা কৰিছিল তেওঁ দেখা নাছিল যে আৰু তেওঁৰ মৃত্যু কেনেকৈ হ'ল তেওঁ নাজানিছিল। ওচৰ-চুবুৰীয়া সকলৰ কোনো এজনেও এই কথা নাজানিছিল আৰু ৰাতি তেওঁৰ ককায়েকৰ ওচৰলৈ কোন গৈছিল সেই কথাও তেওঁ নাজানে। তেওঁ লগতে উল্লেখ কৰিছে যে তেওঁ তেজৰ দাগ লগা দা এখন আৰু ককায়েকক মাটিত পৰি থকা দেখিছিল, ইয়াৰ উপৰিও তেজৰ দাগ লগা বিচনা চাদৰ এখনো দেখিছিল।

১৭) অভিযোজন সাক্ষী নং-৪ এ সাক্ষ্য প্ৰদান কৰে যে তেওঁক হত্যা কাণ্ডটোৰ বিষয়ে জনোৱা হৈছিল আৰু তেওঁক দা আৰু হাফ ভেষ্ট (গেঞ্জী)ৰ সন্দৰ্ভত জব্দৰ সাক্ষী কৰা হৈছিল।

১৮) অভিযোজন সাক্ষী নং-৫ এ সাক্ষ্য প্ৰদান কৰে যে মৃতকৰ ঘৰত আৰক্ষী উপস্থিত হোৱাৰ পিছতহে তেওঁ হত্যাৰ বিষয়ে জানিব পাৰিছিল, য'ত তেওঁক দা আৰু হাফ ভেষ্ট (গেঞ্জী) সাক্ষী কৰা হৈছিল।

১৯) অভিযোজন সাক্ষী নং-৬, অভিযোজন সাক্ষী নং-৭ আৰু অভিযোজন সাক্ষী নং-৮ এ সাক্ষ্য প্ৰদান কৰে যে তেওঁলোকে আৰক্ষীৰ পৰাহে হত্যা কাণ্ডৰ বিষয়ে জানিব পাৰিছিল।

২০) অভিযোজন সাক্ষী নং-৯, গোৱালপাৰা অসামৰিক চিকিৎসালয়ৰ চিকিৎসা আৰু স্বাস্থ্য বিষয়া-১ (Medical &Health Officer-I) এ সাক্ষ্য প্ৰদান কৰে যে তেওঁ ২২.১২.২০১৫ তাৰিখে মৃতকৰ মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰিছিল আৰু তেওঁৰ মতে থাইৰয়ড কাৰ্টিলেজ স্তৰত (thyroid cartilage) ডিঙিৰ ওপৰৰ কটা আঘাত আৰু সোঁ মেণ্ডিবলৰ (right mandible) ঠিক তলত ডিঙিৰ সোঁফালে ওপৰত হোৱা আঘাতৰ ফলত হোৱা ৰক্তক্ষৰণ আৰু শ্বকৰ ফলত মৃতকৰ মৃত্যু হৈছিল।

২১) এইদৰে অভিযোজন সাক্ষীসকলে প্ৰদান কৰা সাক্ষ্যৰ পৰা দেখা যায় যে ২০১৫ চনৰ ২২ ডিচেম্বৰ তাৰিখে পুৱা আপীলকাৰীয়ে আৰক্ষীৰ আগত স্বামীক হত্যা কৰা

বুলি কোৱা তথাকথিত জবানবন্দী/স্বীকাৰোক্তিটোৱেই অভিযোজন পক্ষৰ সমগ্ৰ গোচৰটোৰ ভিত্তি।

২২) আৰক্ষী বিষয়াৰ সন্মুখত অভিযুক্ত ব্যক্তিয়ে কৰা স্বীকাৰোক্তি ভাৰতীয় সাক্ষ্য আইন, ১৮৭২ৰ ২৫ নং ধাৰা মতে প্ৰমাণ হিচাপে গ্ৰহণযোগ্য নহয় আৰু অভিযুক্ত ব্যক্তিজনক দোষী সাব্যস্ত কৰিবলৈ ইয়াক প্ৰমাণ হিচাপে ব্যৱহাৰ কৰাৰ অনুমতি নাই। ভাৰতীয় সাক্ষ্য আইন, ১৮৭২ৰ ২৬ নং ধাৰা মতে আৰক্ষীৰ জিম্মাত থকাৰ সময়ত দিয়া জবানবন্দী/স্বীকাৰোক্তি নিৰ্ভৰযোগ্য বুলি গণ্য কৰা নহয় আৰু অভিযুক্তৰ বিৰুদ্ধে প্ৰমাণিত নহয়, যেতিয়ালৈকে জবানবন্দী/স্বীকাৰোক্তি দণ্ডাধীশৰ আগত দিয়া নহয়।

২৩) আপীলকাৰীয়ে ফৌজদাৰী দণ্ডবিধি আইনৰ ধাৰা ৩১৩ ৰ অধীনত কৰা সোধপোছত উল্লেখ কৰিছে যে ঘটনাৰ নিশা তেওঁ স্বামীৰ সৈতে ঘৰত নাছিল আৰু তেওঁ মাতৃগৃহত আছিল। পিছদিনা ৰাতিপুৱা ঘৰলৈ যোৱাৰ সময়ত মৃত স্বামীক দেখা বুলিও তেওঁ উল্লেখ কৰিছে। তাৰ পিছত তেওঁ থানালৈ গৈ আৰক্ষীক এই কথা জনাইছিল। পিছত থানালৈ যোৱা তেওঁৰ স্বামীৰ ককায়েকে অৱশ্যে আৰক্ষীক জনাইছিল যে আপীলকাৰীয়ে তেওঁৰ স্বামীক হত্যা কৰিছে। ফৌজদাৰী দণ্ডবিধি আইনৰ ধাৰা ৩১৩ ৰ অধীনত কৰা সোধপোছত তেওঁ নিজৰ স্বামীক হত্যা কৰা নাছিল আৰু এইটো এটা মিছা গোচৰ বুলি কৈছে।

২৪) পূৰ্বে কোৱাৰ দৰে আপীলকাৰীয়ে আৰক্ষীক দিয়া তথাকথিত জবানবন্দীৰ সমৰ্থন কৰি কোনো সাক্ষ্য প্ৰদান কৰা হোৱা নাই যে তেওঁ নিজৰ স্বামীক হত্যা কৰিছিল। যিহেতু আৰক্ষীক দিয়া জবানবন্দী/স্বীকাৰোক্তি প্ৰমাণ হিচাপে গ্ৰহণযোগ্য নহয়, সেয়েহে আমি নিম্ন আদালতে আপীলকাৰীক হত্যাৰ অপৰাধত দোষী বুলি কৰা তথ্যৰ সৈতে একমত হ'ব নোৱাৰো, বিশেষকৈ যেতিয়া অভিযোগ কৰা বক্তব্যটোক সমৰ্থন কৰা কোনো প্ৰমাণ নাথাকে। যদিও অভিযোজন সাক্ষী–১০ এ তেওঁৰ প্ৰমাণত উল্লেখ কৰিছিল যে আপীলকাৰীক ফৌজদাৰী দণ্ডবিধি আইনৰ ধাৰা ১৬৪ অধীনত তেওঁৰ জবানবন্দী লিপিবদ্ধ কৰাৰ বাবে আদালতলৈ প্ৰেৰণ কৰা হৈছিল, আমি দেখিবলৈ পাওঁ যে ফৌজদাৰী দণ্ডবিধি আইনৰ ধাৰা ১৬৪ অধীনত এনে কোনো স্বীকাৰোক্তিমূলক জবানবন্দী লিপিবদ্ধ কৰা হোৱা নাছিল। তদুপৰি, যদিও অভিযোজন সাক্ষী–১০ এ জেৰাত উল্লেখ কৰিছে যে তেওঁ জব্দ কৰা দা খন পৰীক্ষাৰ বাবে এফ. এছ. এল.

(FSL)লৈ পঠিয়াইছিল, কিন্তু জব্দ কৰা দা খন সন্দৰ্ভত এফ. এছ. এলে. আপীলকাৰীক অস্ত্ৰটো বা অপৰাধৰ লগত জড়িত বুলি প্ৰদৰ্শন কৰিব পৰা একো প্ৰতিবেদন দিয়া নাই।

২৫) ২৮.০৪.২০১৭ তাৰিখৰ বিবাদিত ৰায়দানটো পঢ়ি আমি দেখিবলৈ পাওঁ যে নিম্ন আদালতে আপীলকাৰীৰ আচৰণেই অপৰাধৰ ভিত্তি হিচাপে লৈছিল আৰু তেওঁয়ে অপৰাধ সংঘটিত কৰিছিল বুলি নিৰ্ণয় কৰিবলৈ দৈনিক পঞ্জীৰ ওপৰত নিৰ্ভৰ কৰা যেন লাগে, য'ত লিপিবদ্ধ কৰা হৈছিল যে আপীলকাৰীয়ে আৰক্ষীৰ আগত আত্মসমৰ্পণ কৰিছিল আৰু আৰক্ষীক জনাইছিল যে তেওঁ নিজৰ স্বামীক এখন দাৰে হত্যা কৰিছিল।

২৬) **হাবিব মহম্মদ (উপৰোক্ত)** গোচৰত উচ্চতম ন্যায়ালয়ে মতপোষণ কৰিছে যে যিকোনো ফৌজদাৰী আদালতে এনে আদালতত তদন্ত বা বিচাৰাধীন হৈ থকা কোনো গোচৰৰ অনুসন্ধান বা বিচাৰ কৰাত সহায়ৰ বাবে আৰক্ষী ডায়েৰী বিচাৰিব পাৰে বা এনে ডায়েৰী ব্যৱহাৰ কৰিব পাৰে, কিন্তু গোচৰটোত প্ৰমাণ হিচাপে ব্যৱহাৰ কৰিব নোৱাৰে।ইয়াৰ ওপৰিও মতপোষণ কৰে যে মহামান্য বিচাৰ আদালতে ন্যায়ৰ ব্যাখ্যা বাবে গুৰুত্বপূৰ্ণ হ'ব পৰা কথাবোৰ অধিক স্পষ্ট কৰিবলৈ গোচৰ পঞ্জীৰ সহায় লব পাৰে। কিন্তু, বিচাৰ আদালতে ৰায় প্ৰদান কৰোতে আৰক্ষীৰ গোচৰ পঞ্জীৰ ব্যৱহাৰ কৰিলে আৰু আৰক্ষীৰ গোচৰ পঞ্জীত থকা জবানবন্দীক ৰায় দানক সমৰ্থন কৰিবলৈ নিৰ্ভৰ কৰিব নালাগে। এইদৰে **হাবিব মহম্মদৰ (উপৰোক্ত)** গোচৰত উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ সৈতে সংগতি ৰাখি আমি মতপোষণ কৰো যে প্ৰমাণ মূল্যায়নৰ ক্ষেত্ৰত আৰক্ষীৰ গোচৰ পঞ্জীত থকা তথ্যসমূহক ভিত্তি হিচাপে লৈ কোনো বিশেষ মতামত নিশ্চিত কৰিব নোৱাৰি। কাৰণ, আৰক্ষীক দিয়া বুলি অভিযোগ কৰা জবানবন্দীৰ বাহিৰে আপীলকাৰীক অপৰাধৰ সৈতে জড়িত কৰিব পৰা কোনো প্ৰমাণ নাই।

২৭) **কুঠু গোৱালা বনাম অসম চৰকাৰ গোচৰত,** ১৯৮০ চনত প্ৰকাশ পোৱা চনত এছ.চি.চি অনলাইন গৌ ২১, (reported in 1980 SCC Online Gau 21) এই আদালতৰ খণ্ড বিচাৰপীঠে ৰায় দিয়ে যে ভাৰতীয় সাক্ষ্য আইন, ১৮৭২ৰ ধাৰা ৮ৰ অনুসৰি অভিযুক্তক হত্যাৰ অপৰাধত দোষী সাব্যস্ত কৰিবলৈ অভিযুক্তৰ আচৰণেই যথেষ্ট নহয়। ই হয়তো সন্দেহৰ জন্ম দিব পাৰে, কিন্তু ই হত্যাৰ অপৰাধত দোষী সাব্যস্ত হোৱাৰ

ভিত্তি হ'ব নোৱাৰে। ওপৰৰ গোচৰটোত অভিযুক্তই ডিব্ৰুগড় থানালৈ মানৱ শৰীৰৰ পৰা বিচ্ছিন্ন মূৰ এটা বেগত ভৰাই আনিছিল আৰু তেওঁ ফৌজদাৰী দণ্ডবিধি আইনৰ ৩১৩ ধাৰাত স্বীকাৰ কৰিছিল যে তেওঁ মানৱ মূৰটো থানালৈ আনিছিল। ওপৰৰ গোচৰটোত ফৌজদাৰী দণ্ডবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত অভিযুক্তই দিয়া জবানবন্দী বিবেচনা কৰি খণ্ড বিচাৰপীঠে ৰায় দিয়ে যে অভিযুক্তজন সন্দেহৰ লাভালাভৰ অধিকাৰী আৰু এই ভিত্তিতে দোষমুক্ত হোৱাৰ অধিকাৰী আৰু অপৰাধৰ সৈতে জড়িত কৰিবলৈ পৰ্যাপ্ত প্ৰমাণ নথকাৰ বাবে তেওঁক দোষমুক্ত বুলি ধৰা হ'ব পাৰে।

২৮) **গমপাৰাই হ্ৰুদয়াৰাজু বনাম অন্ধ্ৰপ্ৰদেশ চৰকাৰ গোচৰত** (reported in 2009 13 SCC 740) উচ্চতম ন্যায়ালয়ে মতপোষণ কৰে যে কোনো অভিযোগক বৈধ বুলি গণ্য কৰিব পাৰি যদিহে ইয়াৰ সমৰ্থনত থকা সকলো প্ৰমাণ আৰু তথ্য অভিযুক্তক নিৰ্দোষী বা আন কাৰোবাৰ দোষৰ সৈতে অসঙ্গতিপূৰ্ণ বুলি প্ৰমাণিত হয়। উচ্চতম ন্যায়ালয়ে মতপোষণ কৰে যে অভিযুক্তৰ দোষৰ বিষয়ে যিবোৰ পৰিস্থিতিৰ পৰা অনুমান কৰা হয়, সেইবোৰ যুক্তিসংগত সন্দেহৰ বাহিৰত প্ৰমাণ কৰিব লাগিব আৰু সেই পৰিস্থিতিৰ পৰা অনুমান কৰিব বিচৰা মূল তথ্যৰ সৈতে ঘনিষ্ঠভাৱে জড়িত বুলি দেখুৱাব লাগিব। বৰ্তমানৰ গোচৰটোত আপীলকাৰীক দোষী সাব্যস্ত কৰাটো মূলতঃ বিচাৰ আদালতে কৰিছে, কাৰণ আপীলকাৰীয়ে আৰক্ষীৰ আগত আত্মসমৰ্পণ কৰা বুলি অভিযোগ উঠিছে আৰু স্বামীক হত্যা কৰা বুলি স্বীকাৰ কৰিছে। অৱশ্যে, আপীলকাৰীয়ে আৰক্ষীৰ আগত আত্মসমৰ্পণ কৰা বা হত্যাকাণ্ড কৰা বুলি অস্বীকাৰ কৰিছে।ফৌজদাৰী দণ্ডবিধি আইনৰ ৩১৩ ধাৰাৰ অধীনত অভিযুক্তই দিয়া জবানবন্দীত আৰক্ষীৰ স্থিতি সমৰ্থন নকৰে যে আপীলকাৰীয়ে নিজৰ স্বামীক হত্যা কৰা বুলি স্বীকাৰ কৰিছিল বা সংশ্লিষ্ট সময়ত ঘটনা সংঘটিত হোৱা ঠাইত উপস্থিত আছিল। আচলতে তেওঁৰ স্বামীৰ ককায়েকে তেওঁ তেওঁৰ স্বামীক হত্যা কৰা ব্যক্তি বুলি দোষাৰোপ কৰাৰ বাবেই তেওঁক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল, এই ক্ষেত্ৰত কোনো প্ৰমাণ নথকাকৈ।

২৯) "শেষবাৰৰ বাবে একেলগে দেখা" তত্বটো গোচৰৰ তথ্যৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পৰা যায় নেকি সেই সন্দৰ্ভত আমি এই সিদ্ধান্তত উপনীত হওঁ যে ঘটনাৰ নিশা আপীলকাৰী আৰু মৃতক একেলগে কটাইছিল বুলি অভিযোজন পক্ষই কোনো প্ৰমাণ

দাখিল কৰা নাই, সেয়েহে, ঘটনাৰ নিশা আপীলকাৰী আৰু মৃতকক শেষবাৰৰ বাবে একেলগে দেখা গৈছিল বুলি কোনো প্ৰমাণ দাখিল কৰাত ব্যৰ্থ হৈছে।পূৰ্বে উল্লেখ কৰাৰ দৰে ভাৰতীয় সাক্ষ্য আইনৰ ২৬ নং ধাৰাত জিম্মাত থকা ব্যক্তিয়ে কৰা স্বীকাৰোক্তিৰ প্ৰমাণ বাৰণ কৰা হৈছে, যদিহে স্বীকাৰোক্তিটো দণ্ডাধীশৰ উপস্থিতিত কৰা নহয়। আপীলকাৰীয়ে দিয়া তথাকথিত জবানবন্দী/স্বীকাৰোক্তি কেৱল আৰক্ষী বিষয়াৰ আগত দিয়াৰ পৰিপ্ৰেক্ষিতত, উক্ত জবানবন্দী/স্বীকাৰোক্তিটো ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ ৰ অধীনত আপীলকাৰীক অপৰাধৰ বাবে দোষী সাব্যস্ত কৰাৰ ভিত্তি হ'ব নোৱাৰে, কিয়নো উক্ত প্ৰমাণ গ্ৰহণযোগ্য নহয় । বিষয়টোৰ সেই দৃষ্টিভংগীত আমি মতপোষণ কৰো যে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ অনুসৰি নিম্ন আদালতে আপীলকাৰীক দোষী সাব্যস্ত কৰাটো আইনগতভাৱে সমৰ্থনযোগ্য নহয়। ২৮.০৪.২০১৭ তাৰিখে গোৱালপাৰাৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশৰ আদালতে সত্ৰ গোচৰ নম্বৰ ২৭/২০১৬ ত প্ৰদান কৰা ৰায় ইয়াৰ দ্বাৰা খাৰিজ কৰা হৈছে। ফলস্বৰূপে, ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ অনুসৰি আপীলকাৰীক প্ৰদান কৰা শাস্তিও বাতিল কৰা হয়। আপীলকাৰীক ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৩০২ ৰ অধীনৰ অভিযোগৰ পৰা মুক্ত কৰা হৈছে। চৰকাৰী প্ৰতিপক্ষক আপীলকাৰীক জেলৰ পৰা মুকলি কৰি দিবলৈ নিৰ্দেশ দিয়া হৈছে।

৩০) সেই অনুসৰি আপীল মঞ্জুৰ কৰা হৈছে। এল. চি. আৰ. (LCR) ঘূৰাই পঠিওৱা হওক।

৩১) বিজ্ঞ ন্যায়মিত্ৰই আগবঢ়োৱা সহায়ৰ শলাগ লৈ তেওঁক উপযুক্ত মাচুল ৰাজ্যিক আইনী সেৱা কৰ্তৃপক্ষই প্ৰদান কৰিব।

**ন্যায়াধীশ** **ন্যায়াধীশ**

অনুবাদক–কংকনা বৰা

জ্যেষ্ঠ অনুবাদক, অনুবাদ শাখা, গুৱাহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হব।“